# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-JUNE-2026
**Time :** 11.00  AM

## ASSAMESE 11 AM BULLETIN

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সৌজন্যমূলক সাক্ষাৎ কৰাৰ পাছত ৰাষ্ট্ৰপতি ভৱনত স্থাপন কৰা ১১ টা ধ্ৰুপদী ভাষাৰ পুথিভঁৰাল গ্ৰন্থকুটিৰ দৰ্শন কৰে। এই বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰি ড° শৰ্মাই কয়, যে এই কুটিৰত অসমৰ সাঁচিপতীয়া পুথি, সাঁচিপাত প্ৰস্তুত আৰু লিখনৰ ঐতিহ্য সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। অসম চৰকাৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু বিভিন্ন সত্ৰ অনুষ্ঠানৰ সহযোগত সংগৃহীত এই অমূল্য সম্পদসমূহে নতুন প্ৰজন্মক অসমৰ সমৃদ্ধ ঐতিহ্য আৰু জ্ঞান সংস্কৃতিৰ সৈতে পুনৰ সংযোগ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। পাঁচ শতাধিক অসমীয়া গ্ৰন্থ আৰু সাঁচিপতীয়া পুথিৰে সমৃদ্ধ এই পুথিভঁৰালে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সমাদৰ লাভ কৰা বুলি পুথিভঁৰালৰ বিষয়ববীয়াই প্ৰকাশ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনামৰ্মে মুখ্যমন্ত্ৰীয়ে নতুন মন্ত্ৰীসকলক দায়িত্ব অৰ্পন কৰিব বুলি কোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। এই অনুষ্ঠানৰ অভ্যৰ্থনাৰ বাবে অসম অসামৰিক সেৱাৰ ৮ গৰাকী বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হয়।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি আজি গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠত  অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনখন শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইপিনে, অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰাচৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো আজি শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, এই ব্যক্তিগৰাকীৰ সৈতে যৌথ অংশীদাৰিত্বৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই মহাবীৰ একুৱা নামৰ  ব্যৱসায় প্ৰতিষ্ঠানটো স্থাপন কৰিছিল। জুবিন গাৰ্গৰ পৰা লুণ্ঠন কৰা ধনেৰে এই প্ৰতিষ্ঠানটো স্থাপন কৰাৰ অভিযোগত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে এই প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ আৰক্ষীক অনুমতি প্ৰদান কৰিছিল।

০০০০০০

রাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে আত্মসহায়ক গোটৰ সদস্যাসকলে ৰাজ্যজুৰি এই পদক্ষেপত অংশগ্ৰহণ কৰি অকল সেউজ অসম গঢ়াৰ দিশতেই নহয় বৰং পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নাৰী শক্তি অদম্য নেতৃত্ব আৰু দায়বদ্ধতাৰো উজ্বল নিৰ্দশন দাঙি ধৰিব।

সমগ্ৰ শিক্ষা অসমে বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে প্ৰেৰণ কৰা এই পত্ৰত উল্লেখ কৰা অনুসৰি বিশ্ব পৰিবেশ দিৱসৰ সৈতে সামঞ্জস্য ৰাখি কাইলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাবছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। যোৱা শিক্ষা বৰ্ষত ৫৫ হাজাৰ ১৯৮ খন বিদ্যালয় পঞ্জীয়ন হৈছিল যদিও ৫১ হাজাৰ ২৪ খন বিদ্যালয়েহে প'ৰ্টেলত গছপুলি ৰোপণৰ তথ্য আপলোড কৰিছিল। বাকী থকা বিদ্যালয়সমূহকো প'ৰ্টেলত তথ্য দাখিল কৰিবলৈ কোৱা হৈছে।

ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ উদ্যোগত কাইলৈ বিশ্ব পৰিৱেশ দিৱস পালনৰ প্ৰস্তুতি চলোৱা হৈছে। লক্ষ্মীনাথ বেজবৰুৱা উদ্যানৰ সমীপৰ চ্যুকাফা সমন্বয় ক্ষেত্ৰত এই উপলক্ষে গছপুলি ৰোপনৰ লগতে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে – 'জলবায়ু পৰিৱৰ্তন'।

০০০০০০

পবিতৰা অভয়াৰণ্যলৈ ২০২৫-২৬ পৰ্যটন বৰ্ষত ৩৫ হাজাৰ ২৪২ গৰাকী পৰ্যটকৰ আগমন হৈছে। বিগত পৰ্যটন বৰ্ষত এই সংখ্যা আছিল ৩৪ হাজাৰ ৪৩৭। অভয়াৰণ্যখনৰ সূত্ৰই প্ৰকাশ কৰা মতে এই পৰ্যটন বৰ্ষত উদ্যানখনে ৮১ লাখ ৫৮ হাজাৰ টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰিছে। এইবাৰ ৬৭৬ গৰাকী বিদেশী পৰ্যটকে অভয়াৰণ্যখন ভ্ৰমণ কৰে বুলি কোৱা হৈছে।

০০০০০০

**সমাপ্ত**